অধ্যায় ৮ ঃ সন্ত্রাসবাদ

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ সন্ত্রাসবাদৰ অর্থ আৰু সংজ্ঞা
৮.৪ সন্ত্রাসবাদৰ বিভিন্ন বিশ্লেষণ
৮.৫ সন্ত্রাস বাদৰ বৈশিষ্ট্য
৮.৬ সন্ত্রাসবাদী আৰু স্বাধীনতা সংগ্রামীৰ মাজৰ প্রভেদ
৮.৭ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ
৮.৮ অধিক জানিবলৈ
৮.৯ অগ্রগতিৰ খতিয়ান
৮.১০ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- সন্ত্রাসবাদ আৰু সন্ত্রাসবাদীৰ অর্থ বুজি পাব
- সন্ত্রাসবাদৰ বৈশিষ্ট্যবোৰ জানিব পাৰিব
- স্বাধীনতা সংগ্রামীৰ অর্থ জানিব পাৰিব
- সন্ত্রাসবাদী আৰু স্বাধীনজ্ঞা সংগ্রামীৰ মাজৰ প্রভেদ বুজি পাব
- সন্ত্রাসবাদ বিশ্লেষণ কৰাৰ উপায় সম্পর্কে অৱগত হ'ব।

৮.২ পৰিচয়

সন্ত্রাসবাদ হ'ল সেইবোৰ হিংসাত্মক কার্যকলাপ যিবোৰে জনসাধাৰণৰ মাজত ত্রাস অথবা ভয় বিয়পায় দিয়ে ৰাজনৈতিক উদ্দেশ্যত নিৰীহ সাধাৰণ লোকক হত্যা কৰা কার্যকো সন্ত্রাসবাদ বোলা হয়। এই অধ্যায়টিত আমি সন্ত্রাসবাদ কি আৰু ই কেনেদৰে মানুহৰ জীৱনক প্রভাৱিত কৰে সেইবিষয়ে আলোচনা কৰিম। আলোচনা কালত মানুহ সন্ত্রাসবাদী হৈয়েই জন্মেনে কোনো বিশেষ পৰিস্থিতিত সন্ত্রাসবাদৰ পথ গ্রহণ কৰে সেয়াও পৰীক্ষা কৰি চাম। অধ্যায়টিত সামৰি লোৱা আন প্রধান বিষয় দুটা হ'ল সন্ত্রাসবাদীৰ মানসিকতা তথা সন্ত্রাসবাদৰ বৈশিষ্ট্য।

সন্ত্রাসবাদীৰ বিপৰীতে স্বাধীনতা সংগ্রামী হ'ল সেইসকল যিসকলে দেশৰ বাবে আৰু সকলো ব্যক্তিৰ অধিকাৰৰ হকে যুঁজে। স্বাধীনতা আন্দোলনত যোগ দিবলৈ কোনেও কাকো ব্যধ্য কৰাৰ নোৱাৰে। স্বাধীনতা সংগ্রামীয়ে সন্ত্রাসবাদীৰ দৰে সমাজৰ আতংক বিয়পিবলৈ নিদিয়ে।

আমি অধ্যায়টিত এনে প্রভেদবোৰ আলোচনা কৰি চাম। সন্ত্রাসবাদৰ ধাৰণাটোৰ বহল বিশ্লেষণ অধ্যায়টিৰ আলোচনাৰ কেন্দ্রীয় বিষয়।

৮.৩ সন্ত্রাসবাদৰ অর্থ আৰু সংজ্ঞা

সন্ত্রাসবাদ মানে হ'ল হিংসাত্মক কার্যকলাপ। বিশেষকৈ ৰাজনৈতিক উদ্দেশ্যত সংঘটিত কৰা হিংসাত্মক কার্যকলাপক সন্ত্রাসবাদ আখ্যা দিয়া হয়। সন্ত্রাসবাদৰ সমর্থৰ অথবা এনে কার্যত অংশগ্রহণকাৰীক সন্ত্রাসবাদী বোলা হয়।

সন্ত্রাস বাদে বলপূর্বক ভাৱে আৰু প্রণালীৱদ্ধ উপায়েৰে সন্ত্রাস ব্যৱহাৰ কৰে। এনে সন্ত্রাসে আতংক বিয়পায়, আক্রমণৰ ঘটনা সংঘটিত কৰে আৰু জীৱন ধ্বংস কৰে। সন্ত্রাসবাদ আনকি হিংসা আৰু যুদ্ধ জড়িত হৈ থকা নীতি-নিয়মবো পৰিপন্থী। সন্ত্রাসবাদী সংগঠবোৰৰ ঐতিহাসিক পৃষ্ঠভূমি অধ্যায়ন কৰিলে আমি গম পাম যে এনে সংগঠনবোৰে ৰাজনৈতিক সুফলপ্রদতাৰ উদ্দেশ্যেৰে সন্ত্রাসবাদত লিপ্ত হোৱা নাই. একক সন্ত্রাসবাদীয়ে নিজ নিজ সংগঠনৰ অন্য সদস্যৰ সৈতে সামাজিক একতা গঢ়ি তোলাৰ আগ্রহেৰে প্রভাৱিত হয়।

একে আষাৰে 'সন্ত্রাসবাদ'ৰ সংজ্ঞা দাঙি ধৰাটো এক জটিল কাম। ৰাজনৈতিক আৰু আৱেগিকভাৱে সন্ত্রাসবাদৰ সংজ্ঞা সলনি হয়। সমগ্র ধাৰণাটোৱেই এক বিতর্কিত ধাৰণা। কাৰণ, একে সময়তে ই ৰাজনৈতিক অথবা বিদেশী প্রতিপক্ষৰহ বিৰুদ্ধে সন্ত্রাসৰ সৃষ্টি কৰাৰ লগতে স্ব-ৰাষ্ট্রৰ বিৰুদ্ধেও হিংসাত্মক কার্যকলাপ সংঘটিত কৰে। জাতীয়তাবাদী দল, ধর্মীয় দল, ৰাজনৈতিক দল আদিয়ে সন্ত্রাসবাদ অনুশীলন কৰি আহিছে।

'সন্ত্রাস' শব্দটোৰ আন এক অর্থ হ'ল 'ভয় খুওৱা'। ফৰাচী বিপ্লৱৰ সময়ত চলা 'সন্ত্রাসৰ ৰাজত্বকাল'ত 'জেক'বিয়ান ক্লাব'-এ সংঘটিত কৰা কার্যকলাপবোৰ বর্ণনা কৰিবলৈ পোন প্রথমে 'সন্ত্রাসবাদ' শ ব্দটো ব্যৱহাৰ কৰা হৈছিল। জেক'বিয়ান দলনেতা মেক্স মিলিয়েন ৰ'বেস্পিয়াৰৰ ভাষাত, " তাৎক্ষণিক, গুৰুতৰ আৰু অনমনীয় ন্যায়ৰ বাহিৰে সন্ত্রাসবাদ আন একো নহয়।"

সন্ত্রাসবাদে হিংসাত্মক কার্যকলাপকো বুজায়। এনে কার্যকলাপ ৰাজনৈতিক প্রবাৱপুষ্ট। কোনো এক জনসমষ্টিক প্রভাৱিত কৰিবলৈ উপ-জাতীয় দল সংগঠন অথবা গুপ্ত দলৰ সদস্যসকলে শান্তিবাদী যুদ্ধবিৰোধীসকলৰ বিৰুদ্ধে এনে কার্য সংঘটিত কৰিছিল। 'আন্তঃৰাষ্ট্রীয় সন্ত্রাসবাদ' মানে হ'ল একাধিক দেশৰ নাগৰিকৰ মাজত সক্রিয় হৈ থকা সন্ত্রাসবাদ। 'সন্ত্রাসবাদী দল' মানে হ'ল আন্তঃৰাষ্ট্রীয় সন্ত্রাসবাদ অনুশীলন কৰা দল। সন্ত্রাসবাদীহঁত কোনো চৰকাৰৰ অংশ নহয়। সন্ত্রাসবাদীয়ে কেৱল ৰাজনৈতিক বিবেচনা লাভৰ বাবে নিৰস্ত্র নাগৰিকৰ মাজত হিংসাত্মক পৰিস্থিতিৰ সৃষ্টি কৰে। সন্ত্রাসবাদীৰ কার্যকলাপ অপৰাধ মূলক। এনে কার্যকলাপ আইন বিৰুদ্ধ। এনে কার্যকলাপত বিশেষ দাবীৰে সৈতে হিংসা সংপৃক্ত হৈ থাকে। সন্ত্রাসবাদীৰ

দাবী অথবা অভিপ্রায় হ'ল ৰাজনৈতিক। সন্ত্রাসবাদীয়ে প্রধানকৈ নাগৰিক সমাজক ইয়াৰ কার্যকলাপৰ লক্ষ্য কৰি লয়। সন্ত্রাসবাদীহঁত এটা সংগঠিত দলৰ সদস্য আৰু প্রতিটো সন্ত্রাসবাদীয়ে সংঘটিত ঘটনাৰ বাবে প্রায়েই ব্যক্তিগত কৃতিত্ব দাবী কৰে।

নোৱাম ছোম্স্কিৰ ভাষাত, "ব্যক্তি অথবা দলে সংঘটিত কৰা সন্ত্রাসবাদৰ খুচুৰা বিক্রয়ৰ কামত মূলতঃ সন্ত্রাসবাদ অভিধাটো প্রয়োগ কৰা হয়।" সেয়েহে ক'ব পাৰি যে ৰাজনৈতিক উদ্দেশ্যত ব্যক্তিগত অথবা ব্যক্তিৰ দল এটাই সংঘটিত কৰা হিংসাত্মক কার্যই হ'ল সন্ত্রাসবাদ। এতিয়া প্রশ্ন হ'ল, "কোনো ব্যক্তিয়ে সন্ত্রাসবাদী ৰূপে জন্মগ্রহণ কৰে নেকি?' উত্তৰটো হ'ল, "নকৰে।" কোনেও সন্ত্রাসবাদী হৈ জন্ম নলয়। কোনেও জন্মতে দূর্নীতিগ্রস্ত নহয়। প্রতিটো সন্ত্রাসবাদীয়েই নিষ্পাপ ভাৱে জন্মগ্রহণ কৰে। কিন্তু লাহে লাহে বাস্তৱ পৰিস্থিতিয়ে মানুহক ধন উপার্জনৰ কিছুমান সহজ পন্থাৰ দিশে প্রলোভিত কৰে। এনেকৈয়ে মানুহ দূর্নীতিগ্রস্ত হয়। দূর্নীতিৰ মেৰপেঁচৰ পৰা নিজকে মুক্ত কৰাটো ইমান সহজ কাম নহয়। লোভ আৰু দূর্নীতিৰ বাবে এইচাম মানুহ দৰিদ্রতা, অসন্তুষ্টি আৰু দুর্দশাৰ যাতনা ভূগি থকাসকলৰ বিষয়ে অজ্ঞ হৈ পৰে। সন্ত্রাসবাদত সক্রিয়ভাৱে অংশ লোৱা আৰু সন্ত্রাসবাদক সমর্থন কৰা আটাইকে সন্ত্রাসবাদী বোলা হয়। ডেভিড ৰাপ'প'র্টৰ মতে সন্ত্রাসবাদীয়ে কেৱল হিংসাি সৃষ্টি নকৰে; সিহঁতে সমস্যাৰ সৃষ্টি কৰিব পৰা বিষয়ক লৈ সিদ্ধান্তও গ্রহণ কৰে। সন্ত্রাসবাদীয়ে নিজ অভিপ্রায় পূৰণৰ বাবে মৃত্যুবৰণ কৰিবলৈ নাইবা আত্মবলি দিবলৈ সাজু হৈ থাকে। আমি তলত দিয়া ধৰণে সন্ত্রাসবাদীৰ মনোভাৱ বর্ণনা কৰিব পাৰোঁ—

১। এটা সন্ত্রাসবাদীয়ে সাধাৰণ লোকৰ বোধগম্যতাৰে মূল্যহীন বুলি বিবেচিত হোৱা কাৰণ এটাত ফলৱতী হ'বলৈকো নিজৰ জীৱন বলি দিব পাৰে।

২। সন্ত্রাসবাদীয়ে জীৱিকা নির্বাহৰ উপায় হিচাপে কূটাঘাতমূলক কার্য সম্পাদন কৰে।

৩। সন্ত্রাসবাদী বিভিন্ন হিংসাত্মক কার্যকলাপত লিপ্ত থাকে আৰু ৰাজনৈতিক উদ্দেশ্যত আতংক বিয়পায়।

৪। সন্ত্রাসবাদীয়ে যথেমধে হত্যা নকৰে; সন্ত্রাসবাদীয়ে কৰা প্রতিটো হত্যাই প্রণালীৱদ্ধ।

৫। সন্ত্রাসবাদীয়ে অন্য পক্ষৰ বিৰুদ্ধে বলপূর্বক কার্যকলাপ চলায়। অন্য পক্ষই অ-স্বৈচ্ছিকভাৱে সন্ত্রাসবাদীৰ নির্দেশত কাম কৰে।

৬। সন্ত্রাসবাদীৰ কাম-কাজৰ আঁৰত কোনো আদর্শগত প্রত্যয় জন্মাব পৰা কাৰণ নাথাকে।

৮.৪ সন্ত্রাসবাদৰ বিভিন্ন বিশ্লেষণ

বিভিন্ন ৰাষ্ট্র, লেখক, বুদ্ধিজীৱী আৰু চিন্তাবিদে সন্ত্রাসবাদক ভিন ভিন দৃষ্টিভংগীৰে বিশ্লেষণ কৰে। গণতান্ত্রিক মতবাদত বিশ্বাসী লোকৰ মতে সন্ত্রাসবাদ হ'ল মানুহৰ অসুখী অৱস্থাৰ

এটা লক্ষণ। চৰম ভোগবাদ, ধর্মীয় বিশ্বাসৰ স্খলন, জীৱনৰ স্তানৰ অৱনতি, দৰিদ্রতা, সামাজিক অসমতা আৰু সামাজিক অন্যায়ৰ ফলত সন্ত্রাসবাদে গা কৰি উঠি। কিছুমানৰ মতে সন্ত্রাসবাদ হ'ল অর্থহীন আৰু চিন্তাহীন কার্য। মনোবৈজ্ঞানিকভাৱে অস্থিৰ নাইবা মানসিকভাৱে উদ্দেশ্যধর্মী প্ৰৰোচনাৰে পৰিচালিত মানুহ অথবা মানুহৰ গোটে সন্ত্রাস বিয়পায়।

আন এচাম লোকৰ মতে সন্ত্রাসবাদ এটা নতুন পৰিঘটনা। কিছুমান সময়ত সন্ত্রাসবাদক পাহাৰ-পর্বতৰ দৰেই প্রাচীন বুলি ধৰা হয়। খৃষ্ট্রীয় প্রথম শতিকাতে ইহুদী চীয়াৰী ঝেল'ট আন্দোলনকাৰীসকলে ৰোমানৰ বিৰুদ্ধে সন্ত্রাসৰ কৌশল প্রয়োগ কৰিছিল। মধ্যপ্রাচ্যৰ একাদশ আৰু দ্বাদশ শতিকাত চলা আন্দোলন 'ঘাতক সম্প্রদায়, ()ৰ এবিধ প্রধান আহিলাৰূপে সন্ত্রাসবাদ প্রয়োগ কৰাহৈছিল।

তলত উদাহৰণবোৰলৈ মন কৰিলে আমি দেখিম যে সন্ত্রাসবাদ এটা আধুনিক উদ্ভাৱন নহয়।

(ক) ১৮৯০-তুর্কীত থকা আমেৰিকানসকলে পণবন্দী কৰাৰ প্রথা আৰম্ভ কৰিছিল।

(খ) ১৮৯৫-আমেৰিকান বিপ্লৱীসকলে কন্সষ্টাণ্টিন'পলৰ বেংকবোৰ দখল কৰিছিল।

(গ) ১৮৯৭-লণ্ডনত একাধিক বোমা বিস্ফোৰণ। বহুতো লোকৰ মৃত্যু

(ঘ) ১৯০৫-১০-প্রথম বিশ্বযুদ্ধৰ আগতে বুলগেৰিয়া, চার্বিয়া আৰু মেচিডোনিয়াত ব্যাপক হাৰত সন্ত্রাসবাদী কার্যকলাপ চলিছিল।

(ঙ) ভাৰততো লর্ডবেণ্টিংকৰ কার্যকালত পিণ্ডাৰী দস্যুৰদলে ব্যক্তিগত লাভালাভৰ বাবে হত্যাৰকৌশল অৱলম্বন কৰিছিল।

ৰাজনৈতিক ইতিহাস, আধুনিক ৰাজনৈতিক চৰকাৰৰ নীতি, আদর্শগত কাৰণ, সাংস্কৃতিক উদ্বেগ আৰু অর্থনৈতিক ধাৰা আদিৰ দৰে বহুতো বিষয়ক সন্ত্রাসবাদৰ কাৰণ বুলি কোৱা হয়।

আমি ইতিপূর্বে আলোচনা কৰি আহিছো যে সন্ত্রাসবাদীসংগঠন এটাৰ সাধাৰণ লক্ষ্যটো হ'ল ৰাজনৈতিক উদ্দেশ্য ফলৱর্তী কৰা সমাজৰ এদল মানুহৰ প্রচলিত চৰকাৰৰ পৰা বিচ্ছিন্ন হোৱাৰ ইচ্ছা আৰু একোখন নতুন ৰাষ্ট্র গঠনৰ অভিপ্রায়ে একো একোটা সন্ত্রাসবাদী সংগঠনৰ জন্ম দিব পাৰে।

সামাজিক বিচ্ছিন্নতাআৰু বৈষম্যৰ বাবেও সন্ত্রাসবাদে গা কৰি উঠিব পাৰে। মানুহ যেতিয়া নিয়োগ অথবা শিক্ষাৰ সুবিধা বিচাৰি আন দেশলৈ যায় আৰু তাতে বাস কৰিবলৈ লয়, তেতিয়া তেওঁলোক দেশখনৰ স্থায়ী নাগৰিকৰ দ্বাৰা কৰা নানা ধৰণৰ বৈষম্যৰ বলি হ'ব পাৰে। ইয়াৰ বাবেও প্রবাসী লোকসকলে কেতিয়াবা তেনে দেশৰ চৰকাৰ আৰু স্থায়ী নাগৰিকৰ বিৰুদ্ধে সন্ত্রাসবাদী কার্যকলাপ আৰম্ভ কৰিব পাৰে।

আমেৰিকা যুক্তৰাষ্ট্রত সম্প্রঘটিত আৰু '9/11 সন্ত্রাসবাদী আক্রমণ' নামেৰে জনাজাত

ঘটনাটো বহিৰাগত মুছলমান লোকে ঘটাইছিল। এই মুছলমানসকলৰ একাংশই শিক্ষা লাভৰ উদ্দেশ্যেৰে জার্মানীলৈ গৈছিল আৰু তাতেই ইউৰোপীয় সকলে অন্যৰ প্রতি কৰা বৈষম্যমূলক আচৰণ বলি হৈছিল। ইয়াৰ ফলতেই আন সংৰক্ষণশীল মুছলমানৰ সৈতে লগ লাগি সিহঁতে এটা সন্ত্রাসবাদী দল গঠন কৰি ২০০১ চনৰ ছেপ্তেম্বৰ মাহৰ ৰৰ তাৰিখে আমেৰিকা যুক্তৰাষ্ট্র আক্রমণ কৰিছিল।

ধর্মীয়ো সন্ত্রাসবাদৰ উত্থানতঅৱদান আগবঢ়ায়। ধর্মৰ ভিত্তিত গা কৰি উঠা সন্ত্রাসবাদ ান সকলো ধৰণৰ সন্ত্রাসবাদতকৈ বিপদজনক প্রকৃতিৰ। এনে সন্ত্রাসবাদত উঠি অহা যুৱক-যুৱতীৰ মনবোৰ উদ্দেশ্যধর্মী চিন্তা-ভাৱনাৰে ভৰাই তোলা হয় আৰু সিহঁতক একো একোটা আত্মঘাতী বোমাৰুত পৰিণত কৰা হয়। সিহঁতক কোৱা হয় যে ঈশ্বৰে সিহঁতক মৃত্যুৰ পাছত পুৰস্কৃত কৰিব। পাঞ্জাৱত শিখ ধর্মৰ আধাৰত স্থাপন কৰিব খোজা পৃথক স্বতন্ত্র ৰাষ্ট্র 'খালিস্তান'ৰ নামত বহুতো শিখ যুৱকে সন্ত্রাসবাদৰ পথ লৈছিল।

বিভিন্ন দেশৰ নাগৰিকৰ অর্থনৈতিক প্রস্থিতিৰ মাজত থকা পার্থক্যৰ বাবেও সন্ত্রাসবাদৰ সৃষ্টি হ'ব পাৰে। এখন দুখীয়া দেশৰ নাগৰিক এদলক ধমী দেশবোৰৰ নাগৰিকে অর্থনৈতিক অৱস্থাৰ তুলনাৰ জৰিয়তে অপমানিত কৰিব পাৰে অথবা নানা ধৰণৰ বৈষম্যৰ বলি কৰিব পাৰে। এনেবোৰ কথাৰ ফলত জমা হোৱা হতাশাবোধে সন্ত্রাসবাদী দল গঠনত অৰিহণা আগবঢ়াব পাৰে।

ৰাষ্ট্রৰ কোনো নির্দিষ্ট ৰাজনৈতিক নীতিৰ ফলত সৃষ্টি হোৱা অভিযোগ-আপত্তি নাইবা ৰাজনৈতিক অংশগ্রহণৰ সুযোগৰ অভাৱতো সন্ত্রাসবাদী সমস্যাই মূৰ দাঙি উঠিব পাৰে। ইয়াৰ উদাহৰণ হ'ল বাওঁ আৰু সোঁপন্থী সন্ত্রাসবাদী দলবোৰ। এনে দলে নতুন ৰাষ্ট্র গঠন কৰিব নিবিচাৰে। এনে দলে ৰাষ্ট্রৰ ভিতৰতে বিভিন্ন ৰাজনৈতিক নীতি সলনি কৰিব বিচাৰে।

সন্ত্রাসবাদে মূৰ দাঙি উঠাৰ আন এটা প্রধান কাৰণ হ'ল সম্পদৰ অসমান বিতৰণ। সম্পদশালী দেশবোৰ অনুন্নত দেশবোৰৰ দ্বাৰা চলোৱা সন্ত্রাসবাদী আক্রমণৰ বলি হ'ব পাৰে। ভাৰতৰ অন্ধ্র প্রদেশ, মধ্য প্রদেশ, ওড়িশা আৰু বিহাৰ হ'ল অর্থনৈতিক সমস্যাৰ বাবে সৃষ্টি সন্ত্রাসবাদৰ দ্বাৰা আক্রান্ত ৰাজ্যৰ উদাহৰণ।

৮.৫ সন্ত্রাসবাদৰ বৈশিষ্ট্য

সন্ত্রাসবাদৰ এনে কিছুমান বৈশিষ্ট্য আছে যিবোৰৰ দ্বাৰা সন্ত্রাসবাদীক চিনাক্ত কৰি উলিয়াব পৰা যায়—

১। হিংসা (Violence)ঃ সন্ত্রাসবাদৰ তেনেই সাধাৰণ বৈশিষ্ট্যটো হ'ল হিংসা। সন্ত্রাসবাদৰ

সৈতে হিংসা আৰু হিংসা। সন্ত্রাসবাদৰ সৈতে হিংসা আৰু হিংসাৰ ভাবুকি জড়িত হৈ থাকে। যুদ্ধ, বিক্ষোভ প্রদর্শন, সংগঠিত অপৰাধ নাইবা সাধাৰণ মাৰ-পিটৰ ৰূপত হিংসাত্মক কার্য ঘটিব পাৰে। আগতে সম্পত্তি ধ্বংস কৰা কার্যক হিংসাত্মক অপৰাধ বুলি গণ্য কৰা নহৈছিল। কাৰণ, ইয়াৰ দ্বাৰা মানুহৰ জীৱন বিপদাপন্ন নহয়। কিন্তু আজিকালি ইয়াক হিংসা আৰু সন্ত্রাসবাদ বুলি ধৰা হয়।

২। মনোবৈজ্ঞানিক প্রভাৱ আৰু ভয় (Psychological Impact & Fear)ঃ প্রতিটো সন্ত্রাসবাদী কার্যই সাধাৰণ মানুহৰ মনত বিৰূপ মনোবৈজ্ঞানিক প্রভাৱ পেলায়। এনে কার্যই সাধাৰণ মানুহক ভীতিগ্রস্ত কৰে। সন্ত্রাসবাদীয়ে নিজৰ শক্তি প্রদর্শন কৰিবলৈ জাতীয় প্রতীকৰ ওপৰত আক্রমণ চলায় আৰু বিৰোধিতা কৰা দেশ নাইবা সমাজখন ধ্বংস কৰাৰ চেষ্টা কৰে। সন্ত্রাসবাদীয়ে চৰকাৰক নেতিবাচকভাৱে প্রভাৱিত কৰাৰ লগতে সন্ত্রাসবাদী সংগঠনবোৰৰ ক্ষমতা তথা গর্ব বৃদ্ধি কৰাৰ চেষ্টা চলায়।

৩। ৰাজনৈতিক লক্ষ্য (Political Goal)ঃ সন্ত্রাসবাদী কার্যকলাপৰ সাধাৰণ লক্ষ্য হ'ল ৰাজনৈতিক অভিপ্রায় সফল কৰা। এই অভিপ্রায় ইমানেই প্রবল যে ইয়াত বিফল হ'লেই তাৰ কুফল অতি ভয়াবহ হ'ব পাৰে। সন্ত্রাসবাদক ৰাজনৈতিক হিংসা বুলিও কোৱা হয়. মানুহক হিংসাত্মক ঘটনাৰ বলি কৰি আৰু ধ্বংস লীলাৰ জৰিয়তে সন্ত্রাসবাদে আতংক বিয়পায় আৰু মনস্তাত্বিক ভীতিৰ সৃষ্টি কৰে। এনেবোৰ কার্যৰ দ্বাৰা বেআইনী গুপ্ত সংগঠনবোৰে সাধাৰণ লোকৰ মাজত নিজৰ বার্তা বিয়পাই দিয়ে। এনে সংগঠনৰ অভিপ্রায় হ'ল নিজ লক্ষ্যত উপনীত হ'বলৈ লক্ষ্য হিচাপে বাছি লোৱা জনসমষ্টিটো নিয়ন্ত্রণাধীন কৰি ৰখা।

৪। নিৰস্ত্র লোকক আক্রমণৰ লক্ষ্য কৰি লোৱা (Targeting of non-Combatants)ঃ প্রায়েই দেখা যায়, সন্ত্রাসবাদীয়ে নিৰস্ত্র লোকক প্রত্যক্ষ আক্রমণৰ লক্ষ্য কৰি লয়। নিৰীহ লোকৰ হত্যা অথবা এনে লোকক আঘাতপ্রাপ্ত কৰা কথাটোতে সন্ত্রাসবাদীৰ অপৰাধী অভিপ্রায় পৰিস্ফুট হয়। কেতিয়াবা সন্ত্রাসবাদীয়ে আক্রমণৰ বলি কৰি লোৱা লোকসকল সিহঁতৰ বাবে ভাবুকিস্বৰূপ নহ'বও পাৰে। কিন্তু এই লোকসকলে কোনো নির্দিষ্ট প্রতীকৰ প্রতিনিধিত্ব কৰিব পাৰে অথবা সন্ত্রাসবাদীৰ বিৰোধিতা থকা কোনো নির্দিষ্ট জাগতিক দৃষ্টিভংগীৰ সৈতে জড়িত আহিলা স্বৰূপ হ'ব পাৰে। সাধাৰণ লোকৰমাজত সন্ত্রাসবাদীৰ বার্তা বিয়পাই দিয়াৰ বাবে এই লোকসকলক আক্রমণৰ লক্ষ্য কৰি লোৱা হয়। এনে কার্যৰ ফলত সন্ত্রাসবাদীৰ উদ্দেশ্য সিদ্ধি হ'ব পাৰে, সাধাৰণ লোকৰ মনত ভয় উপজিব পাৰে আৰু কোনো ধর্মীয় অথবা ৰাজনৈতিক অভিপ্রায় পূৰণ হ'ব পাৰে।

তলত হ'র্গানে নিৰূপণ কাৰ সন্ত্রাসবাদৰবৈশিষ্ট্যবোৰ তুলি দিয়া হ'ল—

১। সন্ত্রাসবাদীহঁত সাধাৰণতে খণ্ডাল, বিচ্ছিন্ন অথবা বঞ্চিত প্রকৃতিৰ।

২। সিহঁতে বিশ্বাস কৰে যে ৰাজনীতিত সিহঁতৰ সাম্প্রতিক অংশগ্রহণে কোনো প্রকৃত পৰিৱর্তন

সাধন নকৰে।

৩। সমস্যাবোৰ সমাধানৰ বাবে সন্ত্রাসবাদীয়ে যুক্তি সংগতভাৱে চিন্তা নকৰে; সিহঁতে কেৱল ঘটনা সংঘটিত কৰাৰ প্রয়োজনীয়তঙ্গ অনুভৱ কৰে।

৪। সন্ত্রাসবাদীয়ে নিজকে সামাজিক অন্যায়ৰ বলি বুলি ভাবে।

৫। সিহঁতে ৰাষ্ট্রৰ বিৰুদ্ধে হিংসাত্মক কার্যকলাপত জড়িত হোৱাটো প্রয়োজনীয় বুলি বিবেচনা কৰে।

৬। সিহঁতে বিশ্বাস কৰে যে কোনো আন্দোলনত যোগ দিলে সিহঁত সামাজিক আৰু মনোবৈজ্ঞানিক ভাৱে পুৰস্কৃত হ'ব।

ওপত উল্লেখ কৰা বৈশিষ্ট্যবোৰৰ উপৰি সন্ত্রাসবাদৰ আন কিছুমান বিশেষত্ব আছে। তলত সেইবোৰ চমুকৈ বর্ণনা কৰা হ'ল—

১। প্রাকৃতিক অথবা প্রযুক্তি ভিত্তিক দুর্যোগৰ সৈতে সন্ত্রাসবাদী আক্রমণৰ তুলনা কৰিলে দেখা যাব যে এনে আক্রমণৰ একোটা উচ্চ স্তৰৰ, সক্রিয়তা থাকে।

২। সন্ত্রাসবাদী আক্রমণবোৰ অনিশ্চিত। সন্ত্রাসবাদীৰ প্রমূল্য ব্যৱস্থা আৰু আচৰণগত যুক্তিযুক্ততাৰ মূল্যায়ন এটা অতি জটিল কার্য।

৩। সন্ত্রাসবাদীয়ে ইচ্ছাকৃতভাৱে আক্রমণৰ পৰিৱেশ বাছনি কৰে। সিহঁত আক্রমণৰ লক্ষ্য কৰি লোৱাসকলৰ দুর্বলতাৰ দিশবোৰ বিশ্লেষণ কৰিবলৈ সমর্থ। সিহঁতে সন্ত্রাসবাদী কার্য এটা সফল হোৱাৰ পাছত সমাজৰ কিমান ক্ষতি হ'ব সেয়াও অনুমান কৰিব পাৰে।

৪। সন্ত্রাসবাদে উৎপন্ন কৰা ভয় অথবা আতংক প্রাকৃতিক নাইবা প্রযুক্তিভিত্তিক দুর্যোগে সৃষ্টি কৰা ভয়তকৈ বহুগুণে অধিক।

৫। সন্ত্রাসবাদী ভাবুকিৰ প্রকৃতি অতি জটিল। সিহঁতে লক্ষ্যক আক্রমণ কৰিবলৈ বিভিন্ন পনথা অৱলম্বন কৰে।

৬। সন্ত্রাসবাদীয়ে পূর্বৰ আক্রমণৰ ঘটনা চালি-জাৰি চাই পৰৱর্তী আক্রমণৰ প্রভাৱ নিৰূপণ কৰিব পৰাকৈ স্ব- শিক্ষাৰে দক্ষ হৈ পৰে।

৮.৬ সন্ত্রাসবাদী আৰু স্বাধীনতা সংগ্রামীৰ মাজৰ প্রভেদ

এইবাৰ আমি স্বাধীনতা সংগ্রামীৰ সংজ্ঞাবোৰ আলোচনা কৰি চাও আহক। আলোচনা কালত আমি স্বাধীনতা সংগ্রামী আৰু সন্ত্রাসবাদীৰ মাজত থকা পার্থক্যবোৰো বিচাৰ কৰি চাম।

নিজ দেশৰ হকে যুঁজ দিয়াজনকেই স্বাধীনতা সংগ্রামী বোলে। এনে ব্যক্তিয়ে দমনকাৰীক ওফৰাই নিজ দেশখন স্বাদেশী নাগৰিকৰ হাতত তুলি দিব খোজে। সন্ত্রাসবাদীৰ দৰে তেওঁলোকেও এটা ৰাজনৈতিক উদ্দেশ্যত উপনীত হোৱাৰ সংঘর্ষ কৰে। কিন্তু দুয়োৰে মাজত কিছুমান পার্থক্য আছে। স্বাধীনতা সংগ্রামীয়ে নিজ দেশৰ স্বার্থত কেতিয়াবা হিংসাত্মক কার্য সম্পাদন কৰিবলৈ

বাধ্য হ'ব পাৰে। কিন্তু তেওঁ নির্বিচাৰ হিংসা প্রয়োগ কৰিব নোৱাৰে। আনহাতে, সন্ত্রাসবাদীয়ে নিজ লক্ষ্যত উপনীত হ'বলৈ নির্বিচাৰ হিংসা প্রয়োগ কৰে।

সন্ত্রঙ্গসবাদী কার্যকলাপৰ প্রকৃতি অপৰাধমূলক বুলি গণ্য কৰা হয়। সন্ত্রাসবাদীয়ে নিজ লক্ষ্যত উপনীত হোৱাৰ পথ যুক্তিসংগতভাৱে চিন্তা নকৰে আৰু নিৰীহ লোকক হত্যা কৰে। কিন্তু স্বাধীনতা সংগ্রামীয়ে নিৰীহ লোকক হত্যা নকৰে। তেওঁলোকে জনগণক নিজ দেশৰ হকে যুঁজিবলৈ অনুপ্রাণিত কৰে। স্বাধীনতা সংগ্রামীসকল অপৰাধী নহয়।

স্বাধীনতা সংগ্রামীৰ মনত দেশৰ প্রতি প্রেম থাকে। তেওঁলোকে 'কৰিম কিম্বা মৰিম' আদর্শেৰে উদ্বুদ্ধ হৈ কাম কৰে। তেওঁলোকে নিজ দেশৰ বাবে যুঁজে, মৃত্যুবৰণ কৰে; কিন্তু দমনকাৰীৰ হাতত আত্মসমর্পন নকৰে। সন্ত্রাসবাদীৰ মনত এনে দেশপ্রেমৰ ভাৱনা নাথাকে।

স্বাধীনতা সংগ্রামীয়ে নিজৰ আৰু দেশৰ অন্য নাগৰিকৰ মৌলিক স্বাধীনতাৰ হকে যুঁজে। তেওঁলোকে দেশ স্বাধীন কৰাৰ নামত আত্মবলিদান দিয়ে। সন্ত্রাসবাদীয়ে সাধাৰণ নাগৰিকৰহৈ যুদ্ধ নকৰে। সিহঁতে কেৱল নিজৰ ৰাজনৈতিক লক্ষ্যত উপনীত হ'বলৈ যুঁজে। তাকে কৰিবলৈ সিহঁতে নিজকে বলি দিয়াৰ লগতে অন্য লোকলো হত্যা কৰে।

আগতেই কৈ অহা হৈছে যে সন্ত্রাসবাদীয়ে সাধাৰণ লোকৰ মাজত সন্ত্রাস বিয়পায়। নিজৰ বার্তা সদৰি কৰিবলৈ সিহঁতে নিৰীহ লোকক আক্রমণ কৰে অথবা সমাজত হিংসাত্মক ঘটনা সংঘটিত কৰে। স্বাধীনতা সংগ্রামীয়ে এনেধৰণৰ কাম নকৰে। তেওঁলোকে সাধাৰণলোকক নিজ নিজ অধিকাৰৰ বিষয়ে বুজায়। স্বাধীনতা সংগ্রামীৰ কার্যই আতংকৰ সৃষ্টি নকৰে।

স্বাধীনতা সংগ্রামীসকল নিজ দেশৰ সংবিধানৰ উর্দ্ধলৈ নাযায়। তেওঁলোকে আইন ভংগ নকৰে। তেওঁলোকৰ কার্যকলাপ সংবিধানৰ গণ্ডীৰ ভিতৰত সীমাৱদ্ধ। কিন্তু সন্ত্রাসবাদীয়ে আইন উলংঘা কৰে আৰু নিজ লক্ষ্যত উপনীত হ'বলৈ সাংবিধানিক নীতি-নিয়মক উপেক্ষা কৰে।

সন্ত্রাসবাদীয়ে দেশৰ পৰা বিচ্ছিন্ন হৈ গৈ নতুন পৃথক ৰাষ্ট্র গঠন কৰিব বিচাৰে। সিহঁতৰ কার্যৰ অভিপ্রায় স্বার্থজড়িত। কিন্তু, স্বাধীনতা সংগ্রামীয়ে মানুহৰ একতাৰ বাবে কাম কৰে। তেওঁলোকে দেশৰ নাগৰিকক দমনকাৰীৰ বিৰুদ্ধে একত্রিত কৰে। তেওঁলোকে দেশৰ মংগলৰ বাবে নিঃস্বার্থভাৱে যুঁজ দিয়ে।

সন্ত্রাসবাদী আৰু স্বাধীনতা সংগ্রামীৰ মনোভাৱ পৃথকে পৃথকে বিশ্লেষণ কৰিলে দেখা যাব যে স্বাধীনতা সংগ্রামীৰ মনোভাৱ সৌম্য। তেওঁলোকে কাকো স্বাধীনতা সংগ্রামত যোগ

দিবলৈ বাধ্য নকৰে। তেওঁলোকে দেশৰ বাবে কোনটো পথ লোৱাটোভাল হ'ব সেয়া অন্যসকলক দেখুৱাই দিয়ে আৰু সেই পথেৰে আগবাঢ়িবলৈ উদ্বুদ্ধ কৰে। আনহাতে, সন্ত্রাসবাদীৰ মনোভাৱ অতি নির্দয় প্রকৃতিৰ। সিহঁতে বলপূর্বক সদস্যৰ সংখ্যা বৃদ্ধি কৰে। ইয়াৰ বাবে সিহঁতে সাধাৰণ নাগৰিক সমাজত ভয় আৰু হিংসাৰ পৰিৱেশ সৃষ্টি কৰে।

অগ্রগতি নিৰীক্ষণ



১ ।সন্ত্রাসবাদ কি?

২ । সন্ত্রাসবাদী বুলি কাক কোৱা হয়?

৩।'আন্তঃৰাষ্ট্রীয় সন্ত্রাসবাদ মানে কিয়

৪ । সন্ত্রাসবাদী দলৰ সংজ্ঞা লিখক।

৫ । সন্ত্রাসবাদত কেনেধৰণৰ কথা জড়িত হৈ থাকে।

৬ । সন্ত্রাসবাদী কার্যকলাপৰ সাধাৰণ লক্ষ্যটো কি?

৭ । স্বাধীনতা সংগ্রামী বুলি কাৰ কতা বুজোৱা হয়?

৮ ।এগৰাকী স্বাধীনতা সংগ্রামীৰ আদর্শ কি?

৯ ।সন্ত্রাস শব্দটোৰ অর্থ কি?



৮.৭ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ

- সন্ত্রাসবাদ মানে হ'ল হিংসাত্মক কার্যকলাপ। বিশেষকৈ কোনো ৰাজনৈতিক উদ্দেশ্যত এনে কার্যকলাপ সংঘটিত কৰা হয়।
- সন্ত্রাসবাদক সমর্থন জলোৱা অথবা সন্ত্রাসৰ সৃষ্টি কৰা কার্যকলাপত ভাগ লোৱাসকলক সন্ত্রাসবাদী বোলা হয়।
- আন্তঃৰাষ্ট্রীয় সন্ত্রাসবাদ মানে হ'ল একাধিক দেশৰ নাগৰিকৰ মাজত ব্যপ্ত হৈ থকা সন্ত্রাসবাদ।
- **স**ন্ত্রাসবাদী সংগঠন মানে হ'ল আন্তঃৰাষ্ট্রীয় সন্ত্রাসবাদ অনুশীলন কৰা মানুহৰ সংগঠন।
- সন্ত্রাসবাদীয়ে আপাতঃ দৃষ্টিত মূল্যহীন বুলি বিবেচনা কৰিব পৰা কোনো কাৰণক বাস্তৱৰূপ দিবলৈ আত্মঘাতী হ'ব পাৰে।
- সন্ত্রাসবাদীয়ে আন এক পক্ষৰ বিৰুদ্ধে বলপ্রয়োগকাৰী কার্যকলাপ চলায়। আনটো পক্ষই সেয়েহে অ-স্বেচ্ছিকভাৱে সন্ত্রাসবাদীৰ সপক্ষে কাম কৰিবলৈ বাধ্য হয়।
- সন্ত্রাসবাদ মানে হ'ল হিংসা আৰু হিংসা প্রয়োগৰ ভাবুকি। যুদ্ধ, বিক্ষোভ প্রদর্শন, সংগঠিত অপৰাধ অথবা সাধাৰণ মাৰ-পিটৰ ঘটনাৰ ৰূপত সন্ত্রাসবাদী কার্য সংঘটিত হ'ব পাৰে।

- সন্ত্রাসবাদী কার্যকলাপৰ সাধাৰণ উদ্দেশ্যটো হ'ল ৰাজনৈতিক উদ্দেশ্য সাধন কৰা।
- স্বাধীনতা সংগ্রামী মানে হ'ল সেইসকল লোক যি নিজ দেশৰ বাবে যুঁজে আৰু দেশৰ নাগৰিকক দমনকাৰীক ওফৰাট নিজ দেশ ঘূৰাই পোৱাৰ কামত সহায় কৰে।
- স্বাধীনতা সংগ্রামীয়ে নিজৰ লগতে দেশৰ অন্য নাগৰিকক মৌলিক স্বাধীনতা ৰক্ষাৰ হকে যুঁজিবলৈ অনুপ্রাণিত কৰে।



৮.৮ অধিক জানিবলৈ

1) Ahmed, Pearl Ali (2010), Terrorism and Terrorist Groups of North-East India: Eastern Book House.
2) Rao, Narayan Singh (2010), Global Terrorism and Security (Volume One): Mittal Publications.
3) Rao, Narayan Singh (2010), Global Terrorism and Security (Volume Two): Mittal Publications.



৮.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ সন্ত্রাসবাদ মানে হ'ল হিংসাত্মক কার্যকলাপ। বিশেষকৈ কোনো ৰাজনৈতিক উদ্দেশ্যত এনে কার্যকলাপ সংঘটিত কৰা হয়।

২ নং প্রশ্নৰ উত্তৰ ঃ সন্ত্রাসবাদক সমর্থন জলোৱা অথবা সন্ত্রাসৰ সৃষ্টি কৰা কার্যকলাপত ভাগ লোৱাসকলক সন্ত্রাসবাদী বোলা হয়।

৩ নং প্রশ্নৰ উত্তৰ ঃ আন্তঃৰাষ্ট্রীয় সন্ত্রাসবাদ মানে হ'ল একাধিক দেশৰ নাগৰিকৰ মাজত ব্যপ্ত হৈ থকা সন্ত্রাসবাদ।

৪ নং প্রশ্নৰ উত্তৰ ঃ সন্ত্রাসবাদী সংগঠন মানে হ'ল আন্তঃৰাষ্ট্রীয় সন্ত্রাসবাদ অনুশীলন কৰা মানুহৰ সংগঠন।

৫ নং প্রশ্নৰ উত্তৰ ঃ সন্ত্রাসবাদ মানে হ'ল হিংসা আৰু হিংসা প্রয়োগৰ ভাবুকি। যুদ্ধ, বিক্ষোভ প্রদর্শন, সংগঠিত অপৰাধ অথবা সাধাৰণ মাৰ-পিটৰ ঘটনাৰ ৰূপত সন্ত্রাসবাদী কার্য সংঘটিত হ'ব পাৰে।

৬ নং প্রশ্নৰ উত্তৰ ঃ সন্ত্রাসবাদী কার্যকলাপৰ সাধাৰণ উদ্দেশ্যটো হ'ল ৰাজনৈতিক উদ্দেশ্য সাধন কৰা।

৭ নং প্রশ্নৰ উত্তৰ ঃ স্বাধীনতা সংগ্রামী মানে হ'ল সেইসকল লোক যি নিজ দেশৰ বাবে যুঁজে আৰু দেশৰ নাগৰিকক দমনকাৰীক ওফৰাট নিজ দেশ ঘূৰাই পোৱাৰ কামত সহায় কৰে।

৮ নং প্রশ্নৰ উত্তৰ ঃ এগৰাকী স্বাধীনতা সংগ্রামীৰ আদর্শ হ'ল 'কৰিম কিম্বা মৰিম'।

৯ নং প্রশ্নৰ উত্তৰ ঃ সন্ত্রাস মানে হ'ল 'ভয় খুওৱা'।



৮.১০ আৰ্হি প্রশ্ন

(ক) অতি চুটি প্রশ্ন-

প্রশ্ন নং ১ ঃ স্বাধীনতা সংগ্রামী বুলিলে কি বুজে?

প্রশ্ন নং ২ ঃ সন্ত্রাসবাদৰ সংজ্ঞা দিয়ক।

প্রশ্ন নং ৩ ঃ সন্ত্রাসবাদী কাক বোলে?

প্রশ্ন নং ৪ ঃ সন্ত্রাসবাদৰ সাধাৰণ লক্ষ্যটো কি?

প্রশ্ন নং ৫ ঃ সন্ত্রাসবাদৰ সাধাৰণ বৈশিষ্ট্যটো কি?

প্রশ্ন নং ৬ ঃ সন্ত্রাসবাদৰ মনোবৈজ্ঞানিক প্রভাৱটো কি?

প্রশ্ন নং ৭ ঃ আন্তঃৰাষ্ট্রীয় সন্ত্রাসবাদৰ সংজ্ঞা দিয়ক

প্রশ্ন নং ৮ ঃ সন্ত্রাসবাদী সংগঠন মানে কি?

(খ) চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন নং ১ ঃ মানুহে সন্ত্রাসবাদী হৈ জন্মলাভ কৰেনে? ব্যাখ্যা কৰক।

প্রশ্ন নং ২ ঃ সন্ত্রাসবাদীৰ মনোভাৱ সম্পর্কে এটি চমুটোক লিখক।

প্রশ্ন নং ৩ ঃ সন্ত্রাসবাদ সম্পর্কে এটি চমুটোক লিখক।

প্রশ্ন নং ৪ ঃ স্বাধীনতা সংগ্রামীৰ বিষয়ে এটি চমুটোকা লিখক।

(গ) ৰচনাধর্মী প্রশ্ন (৩০০- ৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন নং ১ ঃ সন্ত্রাসবাদৰ বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰক।

প্রশ্ন নং ২ ঃ সন্ত্রাসবাদী আৰু স্বাধীনতা সংগ্রামীৰ মাজত কি পার্থক্য আছে? — ব্যাখ্যা কৰক।

প্রশ্ন নং ৩ ঃ সন্ত্রাসবাদৰ ধাৰণাটো ব্যাখ্যা কৰক।

প্রশ্ন নং ৪ ঃ সন্ত্রাসবাদৰ কাৰণবোৰ কি কি? ব্যাখ্যা কৰক।

** ****** **